**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১৯ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। ধেমাজি, শ্ৰীভূমি, গোৱালপাৰা, লখিমপুৰ, নগাঁও, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, শিৱসাগৰ, হোজাই, কামৰূপ, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। শেহতীয়া বানত ৰাজ্যৰ ৭৬৪ খন গাঁও পানীত বুৰ যোৱাৰ লগতে তিনি হাজাৰ ৫২৪ হেক্টৰ কৃষিভূমি পানীৰ তলত আছে। এই পৰ্যন্ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান, ভূমিস্খলন আদিত ১২ জন লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা মতে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত আজি পুনৰ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা বন্ধ ৰখা হৈছে। ফেৰী ঘাটৰ ৰেম্পসমূহ পানীত বুৰ যোৱাত এই ৰেম্পসমূহৰ পুনৰ নিৰ্মাণ নোহোৱা পৰ্যন্ত গুৱাহাটীৰ তিনিটা ঘাটৰ ফেৰী সেৱা বন্ধ থাকিব।

ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ উচ্চতা বৃদ্ধি হোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা গৈছে। সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ যোৰহাট জিলা প্ৰশাসনে অনুৰোধ জনাইছে।

গোলাঘাট জিলা প্ৰশাসনেও শেহতীয়া প্ৰতিকূল প্ৰাকৃতিক পৰিস্থিতিৰ বাবে প্ৰশানৰ বিষয়াসকলক সাজু থকাৰ নিৰ্দেশ দিছে। তদুপৰি এই সময়খিনিত ৰাইজক সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰশাসনে আহ্বান জনাইছে।

তিনিচুকীয়া জিলাৰ অৰুণাচল সীমান্তৱৰ্তী নামনি দিবাং জিলাৰ বোমজিৰ নৈৰ বাঢ়নি পানীৰ মাজত আবদ্ধ হৈ পৰা ১৪ জন লোকক কালি হেলিকপ্টাৰৰ জৰিয়তে উদ্ধাৰ কৰা হয়।

লখিমপুৰ জিলা আয়ুক্তই কালি জিলাখনৰ বান ক্ষতিগ্ৰস্ত পোতাবিল, পাঁচনৈ আৰু কয়লামাৰি অঞ্চলৰ পৰিস্থিতি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে লগতে বান পীড়িতসকলক সাহায্য বিতৰণৰ বাবে স্থাপন কৰা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ব্যৱস্থাৰ বুজ লয়।

শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট পানীয়ে ভাঙি নিয়াত কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকাৰ ক্ষতি হৈছে।

গৃহমন্ত্ৰী অমিত শ্বাহে কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সৈতে ফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও গৃহমন্ত্ৰীগৰাকীক অৱগত কৰে।

০০০০০০

ডিব্ৰুগড়ৰ ৰহমৰিয়াত কালি ব্ৰহ্মপুত্ৰত ৪ জনকৈ লোক সন্ধানহীন হয়। ৰহমৰিয়া লাইনৰ অজয় ওৰাং, ৰঞ্জিত ওৰাং আৰু বৰুতি চুকৰ পিতিকৈ দাস নাম লোককেইজন ব্ৰহ্মপুত্ৰৰ মাজৰ পল'ভঙা চাপৰিত থকা গৰু খুঁটিলৈ যোৱাৰ সময়ত সন্ধানহীন হয়। লোক কেইজনক উদ্ধাৰৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে ব্ৰহ্মপুত্ৰৰ অভিযান চলায় যদিও এতিয়ালৈ কোনো শুংসূত্ৰ লাভ কৰা নাই। ইপিনে, ডিব্ৰুগড়ৰ অকলেণ্ডৰ ১৭ নম্বৰ লাইনৰ তনুজ মুৰা নামৰ ৭ বছৰীয়া এটি শিশু ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন হয়। শিশুটিৰ সন্ধানত এন ডি আৰ এফ আৰু এছ ডি আৰ এফে উদ্ধাৰ অভিযান চলাই আছে। উল্লেখযোগ্য যে কেইবাদিনো ধৰি হৈ থকা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ উচ্চতা বহু পৰিমাণে বৃদ্ধি পাইছে।

oooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল পাঁচদিনীয়া ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত কালি ন'ৰ'ৱেত উপস্থিত হৈছে। ন'ৰ'ৱেত শ্ৰী সোণোৱালে অছলোত নৰ ছিপিং বাণিজ্য মেলা আৰু সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত মহাসাগৰ সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাষণ দিব। জাপান আৰু ন'ৰ'ৱেৰ জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰীৰ সৈতে তেওঁ বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ ডেনমাৰ্ক ভ্ৰমণ কৰিব।

oooooo

অৰুণাচল প্ৰদেশৰ পাছিঘাটত অসম সাহিত্য সভাৰ উদ্যোগত আৰু পাছিঘাট শাখা সাহিত্য সভাৰ সহযোগত কালি দিনজোৰা কাৰ্যসূচীৰে প্ৰথিতযশা, সাহিত্যিক, সাংবাদিক লুম্মেৰ ডাইৰ ৮৫ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। এই অনুষ্ঠানত সাহিত্যিকগৰাকীৰ আবক্ষ মূৰ্তি উন্মোচনৰ লগতে লুম্মেৰ ডাই সাহিত্য বঁটা প্ৰদান কৰা হয়। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে সভাৰ পতাকা উত্তোলন কৰাৰ পাছত আদি বানে কিবাংৰ সভাপতি তাদুম লিবাং আৰু আদি আগম কিবাংৰ সভাপতি টায়েত তালমে সাহিত্যিকগৰাকীৰ আৱক্ষ মূৰ্তি উন্মোচন কৰে। দিনৰ ভাগত আয়োজিত অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত মামাং ডাইক লুম্মেৰ ডাই বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটিৰ সভাপতি য়েছে দৰজে থংছি আৰু সাহিত্যিক নন্দ সিং বৰকলাৰ লগতে দুয়োখন ৰাজ্যৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এনেধৰণৰ অনুষ্ঠানৰ জৰিয়তে সাহিত্য সভাই দুয়োখন চুবুৰীয়া ৰাজ্যৰ মাজত সম্পৰ্ক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত বিহু, মিচিং, বড়ো, নেপালীকে ধৰি কেইবাটাও জনগোষ্ঠীয় কৃষ্টি পৰিৱেশন কৰা হয়।

অসম সাহিত্য সভাৰ আহ্বানত কালি ওদালগুৰি জিলা সাহিত্য সভাইও বিশিষ্ট সাহিত্যিক লুম্মেৰ ডাইৰ ওপজা দিন পালন কৰে।

oooooo

সমাপ্ত